জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ২৮৯/২০২১

## ‘উত্তৰ-পূৰ্বাঞ্চলত অন্বেষণ, উৎপাদন আৰু বিনিয়োগৰ সুবিধা’ শীৰ্ষক বিনিয়োগকাৰী সন্মিলনত মুখ্যমন্ত্ৰীৰ অংশগ্ৰহণ

# ডিগবৈ শোধনাগাৰৰ সামৰ্থ্য বৃদ্ধিত সহায়-সহযোগিতা আগবঢ়োৱাৰ বাবে কেন্দ্ৰীয় পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ দপ্তৰৰ মন্ত্ৰীক মুখ্যমন্ত্ৰীৰ অনুৰোধ

## উত্তৰ-পূৰ্বাঞ্চলৰ তেল আৰু প্ৰাকৃতিক গেছ খণ্ডলৈ সকলো ধৰণৰ সহায়-সহযোগিতা আগবঢ়োৱাৰ আশ্বাস কেন্দ্ৰীয় মন্ত্ৰীৰ

**দিছপুৰ, ২৪ ছেপ্টেম্বৰ ঃ** সেউজ ভৱিষ্যৎ তথা কাৰ্বন নিৰ্গমন হ্ৰাস কৰাৰ বাবে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কেন্দ্ৰীয় পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ দপ্তৰৰ মন্ত্ৰী হৰদ্বীপ সিং পুৰীক অসমৰ শোধনাগাৰসমূহত খাৰুৱা তেলৰ লগত ২০ শতাংশ ইথান'লৰ মিশ্ৰণ প্ৰস্তুতিৰ বাবে পদক্ষেপ লোৱাৰ বাবে অনুৰোধ জনাইছে। আজি মহানগৰীৰ তাজ ভিভাণ্টা হোটেলত কেন্দ্ৰীয় পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ৰ উদ্যোগত উত্তৰ-পূৰ্বাঞ্চলত অন্বেষণ, উৎপাদন আদিত বিনিয়োগৰ সুবিধা শীৰ্ষক এদিনীয়া বিনিয়োগ সন্মিলনত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই লগতে কয় যে যদিহে অসমত থকা শোধনাগাৰসমূহত প্ৰকল্পথলীতেই ইথানলৰ মিশ্ৰণ কৰাৰ বাবে অনুমতি প্ৰদান কৰা হয়, ইয়ে বিত্তীয় দিশত সকাহ প্ৰদান কৰাৰ লগতে ৰাজ্যখনে সেউজ ইন্ধনৰ প্ৰয়োজনীয়তা অতি সহজে পূৰণ কৰিব পাৰিব। ৰাজ্য চৰকাৰৰ ইথানল উৎপাদন উৎকৰ্ষতা নীতি আৰু খাৰুৱা তেলৰ বিপণনৰ কোম্পানীসমূহত ইথানল প্ৰয়োগৰ ওপৰত গুৰুত্ব প্ৰদানৰ কথা উল্লেখ কৰি ড° শৰ্মাই লগতে কয় যে এই পদক্ষেপে কোম্পানীসমূহৰ সামৰ্থ্যতা বৃদ্ধি কৰাৰ লগতে সেউজ ইন্ধনৰ চাহিদা পূৰণতো বিশেষভাৱে সহায় কৰিব।

ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰী ড° শৰ্মাই কেন্দ্ৰীয় পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ দপ্তৰৰ মন্ত্ৰীগৰাকীক এছিয়াৰ ভিতৰতে সৰ্বপ্ৰথম ডিগবৈ তেল শোধনাগাৰৰ সামৰ্থ্য বৃদ্ধি কৰাৰ দিশত সহযোগিতা আগবঢ়োৱাৰ বাবেও অনুৰোধ জনায়। মুখ্যমন্ত্ৰীয়ে লগতে ৰাজ্যখনৰ গেছ ক্ৰেকাৰ প্ৰকল্পৰ সম্প্ৰসাৰণৰ লগতে ৰাজ্যখনত শক্তিৰ সমলসমূহ উদ্ঘাটন কৰাৰ দিশত সহায়-সহযোগিতা আগবঢ়োৱাৰ বাবেও অনুৰোধ জনায়।

পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ দপ্তৰৰ দায়িত্ব গ্ৰহণ কৰাৰ পিছত প্ৰথমবাৰলৈ ৰাজ্যখনলৈ অহা কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক বিশেষভাৱে আদৰণি জনাই মুখ্যমন্ত্ৰী ড° শৰ্মাই লগতে কয় যে ৰাজ্য চৰকাৰে অসমত থকা সকলো প্ৰকল্পৰ কাৰ্যদক্ষ পৰিচালনা কৰাৰ দিশত পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ত বিশেষভাৱে সহায়-সহযোগিতা আগবঢ়োৱাৰ উপৰি নতুন প্ৰকল্প স্থাপনৰ দিশতো সহায়-সহযোগিতা আগবঢ়াব।

সন্মিলনত ভাষণ প্ৰদান কৰি কেন্দ্ৰীয় পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ দপ্তৰৰ মন্ত্ৰী হৰদ্বীপ সিং পুৰীয়ে কয় যে অৰ্থনৈতিক সম্ভাৱনীয়তাৰ দিশত উত্তৰ-পূৰ্বাঞ্চল হ'ল বিশেষভাৱে সম্ভাৱনাৰ ক্ষেত্ৰ। কেন্দ্ৰীয় চৰকাৰৰ দেশৰ অৰ্থনীতি ৫ ট্ৰিলিয়ন আমেৰিকান ডলাৰলৈ বৃদ্ধি কৰাৰ লক্ষ্য পূৰণৰ দিশত উত্তৰ-পূৰ্বাঞ্চলে বিশেষভাৱে অৰিহণা যোগোৱাৰ থল আছে বুলিও তেওঁ কয়। মুখ্যমন্ত্ৰীৰ অনুৰোধৰ প্ৰতি ইতিবাচক সঁহাৰি জনাই কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে ডিগবৈ শোধনাগাৰৰ সামৰ্থ্য বৃদ্ধিৰ দিশত প্ৰয়োজনীয় সকলো পদক্ষেপ তেওঁৰ মন্ত্ৰালয়ে গ্ৰহণ কৰিব বুলিও আশ্বাস প্ৰদান কৰে।

উত্তৰ-পূৰ্বাঞ্চলত হাইড্ৰ'কাৰ্বনৰ বিশাল ভঁৰাল আছে বুলি উল্লেখ কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে উত্তৰ-পূৰ্বাঞ্চলৰ সামগ্ৰিক বিকাশ, এই অঞ্চলৰ জনসাধাৰণৰ জীৱন ধাৰণৰ মান উন্নীতকৰণ তথা ভৱিষ্যতৰ বাবে শক্তিৰ অবিৰত ক্ষেত্ৰৰ বিকাশৰ বাবে কেন্দ্ৰীয় চৰকাৰে এই অঞ্চলত মজুত থকা হাইড্ৰ'কাৰ্বনৰ উৎসৰ যথাযথ প্ৰয়োগৰ ওপৰত বিশেষভাৱে সহায়ৰ হাত আগবঢ়াব বুলিও কয়।

কেন্দ্ৰীয় পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ৰ সচিব তৰুণ কাপুৰে আদৰণী ভাষণ প্ৰদান কৰা আজিৰ এই অনুষ্ঠানত উত্তৰ-পূৰ্বাঞ্চলৰ তেল আৰু প্ৰাকৃতিক গেছ ক্ষেত্ৰখনত বিনিয়োজনৰ সম্ভাৱনীয়তাৰ বিভিন্ন দিশ সামৰি এক সুবিস্তৃত প্ৰেজেণ্টেশ্যনো আগবঢ়োৱা হয়। অনুষ্ঠানত পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ দপ্তৰৰ কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী ৰামেশ্বৰ তেলী, অৰুণাচল প্ৰদেশৰ ভূতত্ত্ব আৰু খনিজ বিভাগৰ মন্ত্ৰী কামলুং মোচাং; মণিপুৰ চৰকাৰৰ উদ্যোগ, বাণিজ্য আৰু বস্ত্ৰশিল্প বিভাগৰ মন্ত্ৰী টি এইচ বিশ্বজিৎ সিং, মিজোৰাম চৰকাৰৰ উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্ৰী ড° আৰ লালথাংলিয়ানা; নাগালেণ্ড চৰকাৰৰ ভূ-তত্ত্ব আৰু খনিজ বিভাগৰ মন্ত্ৰী এম ভি কাশিহো চাংটাম; ছিকিম চৰকাৰৰ পৰিৱেশ আৰু বন, খনিজ আৰু ভূ-তত্ত্ব তথা বিজ্ঞান আৰু প্ৰযুক্তি বিভাগৰ মন্ত্ৰী কৰ্মা লোডাই ভূটিয়াইও তেওঁলোকৰ ৰাজ্যৰ খনিজ সম্পদ, খাৰুৱা তেল, প্ৰাকৃতিক গেছ ইত্যাদিৰ সম্ভাৱনীয়তা সামৰি বক্তব্য প্ৰদান কৰে। অনুষ্ঠানত উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী যোগেন মহন, মুখ্য সচিব জিষ্ণু বৰুৱা, কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ জ্যেষ্ঠ বিষয়া, শক্তি কোম্পানীসমূহৰ বিষয়ববীয়া, বিনিয়োগকাৰী তথা অন্যান্য অংশীদাৰীসকল উপস্থিত থাকে।

**সুঃদঃ / বঃভাঃ**
**২৪-০৯-২০২১**